# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। বিশ্বৰ উদ্যোগপতিসকলক অসমত বিনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত আহ্বান।

২। বিশ্ব বাঁহ দিৱসত পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ ভূমিকাত গুৰুত্ব আৰোপ। বাঁহক আধুনিক উদ্ভাৱনৰ সৈতে সংযোগ কৰি আত্মনিৰ্ভৰ অসমৰ সম্ভাৱনাৰ দিশ মুকলি হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যজুৰি বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচীৰে সেৱা সংকল্প অভিযান অব্যাহত।

৪। বিশ্ব খনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা ৰাজ্যজুৰি পালন।

*আৰু*

৫। চম্পাৱতী আৰু আই নৈৰ জলপৃষ্ঠ বৃদ্ধিৰ ফলত চিৰাং জিলাৰ কেইবাখন গাঁও প্লাৱিত।

ooooo

বিশ্বৰ আগশাৰীৰ উদ্যোগপতিসকলক অসমত বিনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। দেশৰ ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত আই চি চি বিশ্ব ব্যৱসায়ী সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰী ডº শৰ্মাই কয়, যে দ্ৰুত পৰিৱৰ্তিত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত পৰিৱেশে ভাৰতক উৎপাদনৰ বিচিত্ৰতা, যোগান শৃংখল শক্তিশালী কৰি তুলিছে। সেয়ে অসমৰ সংযোগ ক্ষেত্ৰত উন্নয়ন, আন্তঃগাঁথনি সম্প্ৰসাৰণ, দক্ষ মানৱ সম্পদ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্যখনত উদ্যোগপতিসকলক বিনিয়োগ কৰিবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূবৰ সংযোগ আন্তঃগাঁথনি আৰু উন্নয়নৰ ওপৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ গুৰুত্বৰ বাবেই উত্তৰ-পূব তথা অসমে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শেহতীয়া প্ৰতিবেদনৰ বিষয়ে উল্লেখ কৰি কয়, যে অসম দেশৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা ৰাজ্য হিচাপে স্বীকৃত হৈছে।

এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ আন্তঃগাঁথনি আৰু বিনিয়োগ সন্মিলনৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যখনে ৫ দশমিক ১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছে, ইয়াৰে প্ৰায় ৩ দশমিক ৫ লাখ কোটি টকাৰ প্ৰকল্প এবছৰৰ ভিতৰত ভূমি বিনিয়োগলৈ ৰূপান্তৰিত কৰা হৈছে। এই প্ৰকল্পসমূহৰ কিছুমান ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে বুলি তেওঁ লগতে কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত ঔদ্যোগিক পৰিৱৰ্তনৰ এটা গুৰুত্বপূৰ্ণ উপাদান হিচাপে উন্নত উৎপাদনৰ বৃদ্ধিৰ ওপৰত আলোকপাত কৰে। অসমৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক সম্পদে পৰ্যটন অৰ্থনীতিক উপকৃত কৰিব বুলিও মন্তব্য কৰে। ৰাজ্যখনৰ উন্নয়নৰ বাবে চৰকাৰ, উদ্যোগ, বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান আৰু উদ্যোগীসকলৰ মাজত অংশীদাৰিত্বৰ প্ৰয়োজন হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

ooooo

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস উদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বছৰ বাঁহ দিৱসৰ মূল বিষয়বস্তু হৈছে- 'সীমাৰ পৰিধি ভাঙি বাঁহ'।

উল্লেখযোগ্য যে, ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে অসমৰ বাঁহ উদ্যোগৰ অপাৰ সম্ভাৱনাক স্বীকৃতি দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে পৰম্পৰাগত ঘৰ-দুৱাৰ আৰু বাদ্যযন্ত্ৰৰ পৰা আৰম্ভ কৰি মনোমোহা হস্তশিল্পলৈকে বাঁহ অসমৰ লোক জীৱন, সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বাঁহে কাৰিকৰসকলৰ জীৱিকা সুদৃঢ় কৰাৰ লগতে স্থানীয় উদ্যোগক উৎসাহিত কৰি অধিক সেউজ আৰু বহনক্ষম অৰ্থনীতি গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে।

অসমৰ এই পৰম্পৰাগত সম্পদবিধক আধুনিক উদ্ভাৱনৰ সৈতে সংযোগ কৰি আত্মনিৰ্ভৰ অসমৰ নতুন সম্ভাৱনাৰ দিশ মুকলি কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি অহা ২ অক্টোবৰত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টত অসম চৰকাৰ আৰু বেম্বো ইণ্ডিয়াৰ সহযোগত  বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেউজ সম্পদ বাঁহক ঘাঁহ জাতীয় উদ্ভিদ হিচাপে তালিকাভুক্ত কৰাৰ ফলত অসমৰ জীৱিকা আৰু সেউজ উদ্যোগৰ বাবে নতুন দুৱাৰ মুকলি হৈছে। এই দূৰদৰ্শী পৰিকল্পনাক আগবঢ়াই নি অসম বাঁহ চাইকেলৰ জৰিয়তে অহা ২ অক্টোবৰত বাঁহৰ পৰা অনন্য উদ্ভাৱনৰ বিশেষ কাৰ্যসূচী আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত বিভিন্ন ঠাইত সজাগতা অভিযান চলোৱা হৈছে। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ নিচামুক্ত ভাৰত অভিযানৰ অধীনত কালিৰে পৰা অহা দুই অক্টোবৰলৈ ব্যাপক সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দুদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকালৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি শ্ৰীভূমি জিলাত নিচামুক্ত ভাৰতৰ কাৰ্যসূচীত অংশ লয়। তেওঁ প্ৰথমে জিলা গ্ৰন্থাগাৰ প্ৰাংগণত গছপুলি ৰোপণ কৰে। ইয়াৰ পাছত তেওঁ নিচামুক্ত ভাৰত অভিযানৰ সংকল্প বাক্য পাঠ কৰোৱায়। এই কাৰ্যসূচীৰ অংশ হিচাপে জিলা গ্ৰন্থাগাৰ প্ৰাংগণৰ পৰা উলিওৱা সজাগতামূলক পদযাত্ৰাত মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ কৃপানাথ মাল্লা, বিধায়ক জাকাৰীয়া আহমেদসহ জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। পদযাত্ৰাৰ অন্তত ৰাজ্যপালগৰাকীয়ে ষ্টেচন ৰোডস্থিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে।

কোকৰাঝাৰ জিলাতো আজি এই উপলক্ষে সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যিক পৰ্যায়ৰ সহযোগিতা সংস্থা- অসম সামাজিক-অৰ্থনৈতিক আৰু স্বাস্থ্য উন্নয়ন সমিতি, অসম আৰু মেঘালয় মাদকদ্ৰব্য প্ৰতিৰোধ সংস্থাৰ সহযোগত বিটিচিয়ে এই কাৰ্যসূচীৰ আয়োজন কৰে। বিটিচিৰ সচিব ভাস্কৰজ্যোতি মান্তা, কাৰ্যকৰী সদস্য মুনমুন ব্ৰহ্মকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধিৰ উপস্থিতিত আয়োজন কৰা এই কাৰ্যসূচীৰ জৰিয়তে মাদক দ্ৰব্যৰ বৰ্ধিত ব্যৱহাৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত বিশেষকৈ যুৱ প্ৰজন্মক সজাগ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। এই সন্দৰ্ভত বিটিচিৰ সচিব ভাস্কৰ জ্যোতি মান্তাই এইদৰে কয়-

***-বাইট-***

০০০০০

অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ অহা ১৯ ছেপ্তেম্বৰত এবছৰ পূৰ্ণ হ'ব। বিগত বছৰটোত অসমবাসীয়ে প্ৰতিমুহূৰ্তে শিল্পীগৰাকীক নতুন ৰূপত উপলব্ধি কৰিছে। সেই উপলব্ধিৰে শিল্পীগৰাকীৰ সৃষ্টি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হ'ব। শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই এয়া আমাৰ বিশেষ প্ৰতিবেদন।

*-ভইচ কাষ্ট-*

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া জনসেৱাৰ যাত্ৰাক উদযাপন কৰাৰ উদ্দেশ্যে দেশজুৰি সেৱা সংকল্প অভিযানৰ অংশ হিচাপে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অভিযানৰ সৈতে সংগতি ৰাখি আজি তিতাবৰ সমজিলাৰ কেইবাগৰাকী ৰোগীৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। সমজিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আয়োজিত অনুষ্ঠানত সমজিলা আয়ুক্ত প্ৰীতম কুমাৰ দাস আৰু বিধায়ক ধীৰাজ গোৱালাই ৰোগীসকলক ৰেচন কাৰ্ড প্ৰদান কৰে। ৰেচন কাৰ্ডৰ জৰিয়তে হিতাধিকাৰীসকলে আয়ুষ্মাণ ভাৰত কাৰ্ড প্ৰস্তুত কৰি বিনামূলীয়া আৰু উন্নতমানৰ স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিব বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সমাজৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ স্বাস্থ্য সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত এনে জনকল্যাণমূলক পদক্ষেপে বিশেষ সহায় আগবঢ়াব। কাৰ্যসূচীত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধ্যক্ষ দিপাংকৰ বৰগোহাঁইকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

সেৱা সংকল্প অভিযানৰ অংশ হিচাপে বৰপেটা জিলাত আজি পৰিচ্ছন্নতাই সেৱা শীৰ্ষক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰনগৰ ছোৱালী হাইস্কুলত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰীসকলৰ মাজত পৰিচ্ছন্নতাৰ প্ৰতি দায়বদ্ধতা, অনাময় ব্যৱস্থাৰ গুৰুত্ব আদি বিষয়ত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত মহিলাসকলৰ স্বাস্থ্য সুৰক্ষাৰ বিষয়টো আলোকপাত কৰা হয়।

০০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে। পুৱাৰেপৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হয়। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হয়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হৈছে। ধুবুৰী জিলাত উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হৈছে।

নলবাৰী জিলাৰ বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানতো আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে।

০০০০০

গোৱালপাৰাৰ শ্বহীদ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত অইল ইণ্ডিয়া লিমিটেডে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত এটা অত্যাধুনিক লেপাৰ'স্কপিক অস্ত্ৰোপচাৰ যন্ত্ৰ প্ৰদান কৰে। প্ৰায় ১ কোটি টকা মূল্যৰ এই যন্ত্ৰৰ সহায়ত সহজতে গল ব্লাডাৰ ষ্টনৰ অস্ত্ৰোপচাৰ কৰিব পৰা যাব। অইল ইণ্ডিয়া লিমিটেডৰ বিষয়াসকলৰ লগতে কেইবাজনো চিকিৎসকৰ উপস্থিতিত জিলা আয়ুক্ত প্ৰদীপ তিমুঙে লেপাৰ'স্কপিক অস্ত্ৰোপচাৰ যন্ত্ৰ মুকলি কৰে। অইল ইণ্ডিয়া লিমিটেডৰ এই পদক্ষেপৰ ফলত দুখীয়া ৰোগীসকল উপকৃত হ'ব বুলি জিলা আয়ুক্ত শ্ৰীটিমুঙে প্ৰকাশ কৰে।

*-বাইট-*

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ অৰ্থে ৰাজ্যজুৰি কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুষ্ঠিত এই দিৱসৰ আজি দ্বিতীয় দিনা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত কাইলৈ সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজক সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

চিৰাং জিলাৰ আই নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত জিলাখনৰ কেইবাখনো গাঁও প্লাৱিত হৈছে। বানৰ ফলত জিলাখনৰ ছিদলী ৰাজহ চক্ৰৰ অন্তৰ্গত গৰুভাষা অঞ্চলৰ আমিনপাৰা, গৰসিংপাৰা আৰু থাইগেৰগুৰিকে ধৰি কেইবাখনো গাঁও জলমগ্ন হৈছে। চুবুৰীয়া ভূটানৰ পৰা নামি অহা পানীৰ ঢলে চম্পাৱতী নৈৰ জলপৃষ্ঠ বৃদ্ধি কৰাত নৈপৰীয়া বহু অঞ্চল প্লাৱিত হয়। অঞ্চলটোৰ কেইবাটাও পকী পথৰ ওপৰেৰে পানী বাগৰাত যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰে। জিলাখনত হঠাৎ হোৱা বানৰ খবৰ লাভ কৰাত বিটিচিৰ কাৰ্যবাহী সদস্য জেমছ্ বসুমতাৰী, ছিদলীৰ বিধায়ক পানীৰাম ব্ৰহ্ম, জিলা আয়ুক্ত গোকুল চন্দ্ৰ ব্ৰহ্মসহ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে পৰিস্থিতি পৰ্যবেক্ষণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে আজি কোচবিহাৰৰ শ্ৰীশ্ৰী মধুপুৰ ধাম সত্ৰ দৰ্শন কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়ানৰ সৈতে ঐতিহাসিকভাৱে জড়িত সত্ৰখনত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে গুৰুজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ গুৰুজনাৰ জীৱন-দৰ্শন, একশৰণ নামধৰ্মৰ বাণী তথা মানৱতা, ভাতৃত্ববোধ আৰু সামাজিক সমন্বয়ৰ আদৰ্শ স্মৰণ কৰে। তেওঁ কয়, যে গুৰুজনাৰ আদৰ্শ কোনো এটা সময়, অঞ্চল বা সমাজৰ মাজতে সীমাবদ্ধ নহয়। একতা, ভাতৃত্ববোধ, মানৱতা আৰু আধ্যাত্মিকতাৰ যি মহান বাণী

তেওঁ আমাক দি গৈছে, সেয়া আজিও সমানেই প্ৰাসংগিক। মধুপুৰ ধাম সত্ৰ সেই চিৰন্তন আদৰ্শৰ এটা জীৱন্ত স্মৃতি চিহ্ন। মন্ত্ৰীগৰাকীৰ এই যাত্ৰাত পশ্চিমবংগৰ বিধায়ক সুকুমাৰ ৰয়ে সংগ দিয়ে।

ooooo

**সমাপ্ত**